জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৬/২০২৩**

# গুৱাহাটীৰ ফাঁচী বজাৰত নৱ নিৰ্মিত পদসেতু উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ ফাঁচী বজাৰত নৱ নিৰ্মিত এখন পদসেতু ৰাইজৰ সেৱাত উৎসৰ্গিত কৰে। ১,৬৫৯.৫৭ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৭৩.৯৩ মিটাৰ দৈৰ্ঘ্যৰ এই পদসেতুখন গুৱাহাটীৰ অষ্টম পদসেতু। লোক নিৰ্মাণ বিভাগৰ পূব গুৱাহাটী টেৰিটৰিয়েল ৰোড সংমণ্ডলে এই পদসেতুখন নিৰ্মাণ কৰি উলিয়াইছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে আন্তঃগাঁথনি উন্নয়নত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। তেওঁ কয় যে পথচাৰীসকলে যাতে সুৰক্ষিতভাৱে অহাযোৱা কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে সকলো বয়সৰ পথচাৰীৰ সুবিধা হোৱাকৈ গুৱাহাটী মহানগৰত পদসেতু নিৰ্মাণৰ বাবে সিদ্ধান্ত লৈছিল। তেওঁ কয় যে এই পদসেতুখনত লিফ্‌ট আৰু এছকেলেটৰৰ সুবিধাও সংলগ্ন কৰা হৈছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পৰ কথা আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ উদ্যোগত দিশপুৰৰ ছুপাৰ মাৰ্কেটৰ ওচৰত আৰু আৰ্য নগৰত উৰণ সেতু নিৰ্মাণ কৰি উলিয়াইছে। তেওঁ কয় যে গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত আন এখন দলং নিৰ্মাণৰ কাম চলি আছে। ২,৬০৮ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পটোৰ ৬৬ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। তেওঁ কয় যে দলংখন জনসাধাৰণৰ বাবে অধিক ব্যৱহাৰযোগ্য কৰি তোলাৰ বাবে উত্তৰ গুৱাহাটীৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গৌৰীপুৰ পইণ্টত ট্ৰাম্পেট জংচনৰ অনুমোদন জনোৱা হৈছে। এই প্ৰকল্পত ব্যয় হ'ব ৩৩২.৫৯ কোটি টকা।

মুখ্যমন্ত্ৰীয়ে কয় যে মালিগাঁও আৰু আৰ জি বৰুৱা পথত নিৰ্মাণ হৈ থকা উৰণ সেতুৰ নিৰ্মাণ কাৰ্যত যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে। তেওঁ লগতে কয় যে ডাউন টাউন হাস্পতালৰ সমীপত জি এছ ৰোডত, ফটাশিল চাৰিআলিত, ৰাজীৱ ভৱনৰ ওচৰত জি এছ ৰোডত, শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু কইনাধৰা পথৰ মাজত দ্বীপৰ বিল অতিক্ৰমী ৰাণী-কইনাধৰা পথৰ হাতী কৰিডৰত আৰু ভৰলুমুখত ৰে'ল পথত ৰে'লৱে অভাৰব্ৰীজ নিৰ্মাণৰ পৰিকল্পনা লোৱা হৈছে। তেওঁ লগতে কয় যে ফাঁচী বজাৰৰ আজি উদ্বোধন কৰা পদসেতুখনে এলেকাটোৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ উপৰি জি-২০ সন্মিলনৰ পূৰ্বে চহৰখনক আৰু অধিক উজলাই তুলিছে।

এই অনুষ্ঠানত চহৰ আৰু গৃহ নিৰ্মাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যয়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকা প্ৰমুখ্যে গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**০১/২/২০২৩**